Ironically, the more connected the world becomes, the more competitive consumption appears. A student in Guwahati, a professional in Mumbai, and a shopper in New York now confront the same global parade of must-have items. Cultural differences persist, but the impulse is universal: if everyone else is acquiring, we



must not be left behind.

This has produced a curious shift in consumer behaviour. Satisfaction is no longer derived from utility but from immediacy. The joy of ownership fades quickly, replaced by anticipation of the next acquisition. Goods move from "essential" to "obsolete" at record speed, sometimes without even being opened.


Economists once worried about under-consumption. Today, we face hyper-consumption driven not by need, but by narrative — the story that life is always happening elsewhere, better, faster, and with free shipping.

The environmental consequences, though less amusing, are equally dramatic. The planet now bears the cost of our urgency. Products designed for months of relevance generate waste destined to last centuries. In chasing what is "trending" we risk making sustainability permanently unfashionable. Yet satire aside, the FOMO economy reveals something deeply human. Consumption has become a language of belonging. People are not merely buying things; they are buying participation in a rapidly moving world.



Perhaps the real scarcity is not products, but pause – the ability to step back and ask whether missing out might occasionally be a form of freedom.

Until then, the sale continues. Limited times only. Terms and conditions apply.





গল্পৰ পেৰা



নিউয়ৰ্কত অসীম



নিউয়ৰ্কৰ চাৰিওদিশে দিন যেন পোহৰ আৰু কোলাহল। ব্যস্ত ভৰা এটা বাটত সকলো গৈ আছে। চঞ্চল জীৱনৰ ৰঙীণ সময় অতিবাহিত কৰিছে সকলোৱে এই নিউয়ৰ্কৰ মাজমজিয়াত। অসীমেও এলিনাৰ হাতত ধৰি কোনোবা ইংলিছ গানৰ লহৰত মগ্ন হৈ আছে। এলিনা আৰু অসীম দুয়ো কলম্বিয়া বিশ্ববিদ্যালয়ত অধ্যয়ণৰত। প্ৰথমতে, বেষ্টমেট তাৰপাছত বেষ্টফ্ৰেণ্ড আৰু এতিয়া লাহে লাহে দুয়োৰ সম্পৰ্ক প্ৰেমলৈ আগবাঢ়িছে। বিশ্ববিদ্যালয়ত একেলগে থকাৰ উপৰিও আজিকালি বেছিভাগ সময় দুয়োকে নিউয়ৰ্কৰ অলিয়ে গলিয়ে একেলগে দেখা পোৱা যায়। অসমত জন্ম হোৱা অসীমে অসমীয়া যেন লাহে লাহে পাহৰিব ধৰিছে। নিজস্বতা হেৰুৱাই পশ্চিমীয়া ৰঙীণতাত বুৰ যোৱা অসীম আজি নিউয়ৰ্কৰ বতাহত বিলীন। অসীমৰ দুবাহুত এলিনা। দুয়ো অলপ নিচাত আছে। অসীমে নিজৰ গাড়ীৰে এলিনাক ঘৰত থৈ দিও নিজৰ ৰুমলৈ গ'ল। কিবা এটা অচিনাকি অথচ ভাল লগা অনুভৱে তাক বুৰাই পেলাইছে। সি গাৰুটো তিয়াই বিচনাত পৰি চকুহাল মুদি দিলে।

দুদিন আছে মাত্ৰ, গোটেই বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দুৰ্বাৰ ব্যস্ততা। কি পিন্ধিব, কাৰ লগত নাচিব, কি নাচিব এইবিলাকেই আলোচনা। 'Bacchanal' সকলোৱে আগ্ৰহেৰে ৰৈ থকা কলম্বিয়াৰ এটি ৰঙীণ নিশা। এটা ধুনীয়া বেগুণী ড্ৰেছত এলিনা আৰু কাষতে অসীম।



'What a wonderful performance dude'

'We love it darling'

আৰু নানা কথাই 'Bacchanal'ৰ পাছদিনা অসীম আৰু এলিনাক উপচাই পেলাইছে। ৰাতিপুৱাৰ পৰাই 'Thank You' দি ওৰ নোপোৱা অসীম আৰু এলিনাৰ একেটা ৰাতিতে ভাইৰেল। সিঁহতৰ নাচ কেৱল কলাপ্ৰিয়াৰ মাজতেই নহয় গোটেই নিউয়ৰ্কতেই চৰ্চা হৈছে।

'New York dance festival'

ডিজিটেল পৰ্দাৰ খনলৈ চাই তৃপ্তিৰ হাঁহিৰে সোমাই গৈছে অসীম আৰু এলিনা। 'Hello Elena'. তাই ঘূৰি চাই চকু থৰ হ'ল। তাইক আলিংগন কৰি ষ্টেফিন তাইৰ খবৰ ল'লে। ক'ৰবাত পুৰণা স্মৃতিয়ে তাইক জোকাৰি গ'ল।

"Next up, we have an incredible performance by Ashim and Elena. Get ready to be amazed – let's welcome them'.

হাততালিত বুকু চপচপাইছে অসীমৰ। এলিনা, এলিনা ক'ত? অসীমৰ আৰু ভয় লাগিবলৈ ধৰিলে। সি মকালো তাতে এৰি এলিনাক বিচাৰিবলৈ ধৰিলে। নাই তাই, ক'তো নাই। শেষত সি তাইৰ মোবাইলটো ট্ৰেক কৰি তাইক লৈ যোৱা গাড়ীখনৰ পিছে পিছে গ'ল। কিন্তু হঠাৎ গাড়ীখন নোদেখা হৈ গ'ল। সি অলপ দূৰ যোৱাৰ পাছত এখন ৰখাই থোৱা গাড়ী দেখিলে আৰু অলপ আঁতৰতে তাৰ নিজৰ গাড়ী ৰখাই সি চাবলৈ গ'ল। তাৰ পিছত কোনোবাই চুই তাক মাতিলে। হঠাৎ সি উচপ খাই উঠিল আৰু ঘূৰি দেখে এলিনা আৰু ষ্টেফিন। এটা ৰহস্যময়ী হাঁহিৰে সিতে ষ্টেফিনে তাৰ ফালে চাইছে আৰু ষ্টেফিনৰ হাতত বান্ধি থৈ আছে এলিনা। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল। সি সিঁহতক তাতে



এৰি দৌৰি আহোতে অন্যমনস্ক অসীমৰ মুখৰ আগেৰে এখন জেঙৰ বালেৰয়ে এক খুন্দিয়াবলৈ লওঁতেই সি চেপ খাই উঠিল। সোনটো, সোনটো দৰ্জা খোল। বাহিৰত অসীমৰ মাকে চিঞৰিছে। দেউতাকেও মাতিছে। সি কল্পনাৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। লাহেকৈ দৰ্জাখন খুলি দিলে। আৰু মাকে এক সাৰটি ধৰিলে। এইয়া প্ৰথম নহয় আগতেও সি বহুবাৰ এনেকুৱা কৰিছে। কল্পনাত বিভোৰ হৈ সি সকলো পাহৰি যায়।

বন্ধ কোঠা এটি। খেলিমেলি হৈ পৰি থকা 'American Comics' 'Video game' মোৰ টেবুলৰ লেপটপত লাগি থকা 'thriller series' কানত headphone, এই ভাৰ্চুৱেল পৃথিৱীখনত জীয়াই আছে অসীম। বাস্তৱৰ সুন্দৰতাখোৰ মোহাৰি ভাৰ্চুৱেল পৃথিৱীত খন্তেকীয়া সুখ বিচৰা অসীমৰ দৰে হাজাৰজন আমাৰ মাজত আছে। সেয়ে আজিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে depression শব্দটো জীৱনৰ অংশৰ দৰেই হৈ পৰিছে। আত্মহত্যাৰ সংখ্যা গড় হিচাপত বাঢ়িছে। আৰু ইয়াৰে ৬০% ছাত্ৰ-ছাত্ৰী। ভাৰ্চুৱেলটিৰ গ্ৰাসত পৰা আজিৰ ছাত্ৰ-ছাত্ৰী।

— প্ৰস্তুতি নেওগ





সৰিভ্ৰমী

ক্ৰিং ক্ৰিং ....

ওচৰতে থকা ফোনটোৰ পৰা অহা ভাইব্ৰেচনৰ শব্দত উচপ খাই উঠিল মায়া। বিনিদ্ৰ ৰজনীৰ অসম্পূৰ্ণ নিদ্ৰাৰ স্পষ্টতা তাইৰ মুখত জিলিকি উঠিছে। যেন তাইৰ নিদ্ৰা আজি কোনো চিকাৰীৰ জালত আবদ্ধ। আকাশত দিনমণিয়ে এটি নতুন প্ৰভাতৰ যো-জা কৰাত ব্যস্ত। চৰাইবোৰো যেন সাজু হৈছে নতুন দিনটোৰ বাবে। সকলোৰেই যেন গতি কৰিব বিচাৰিছে এটি নতুন দিৱসৰ সন্ধানত। মাথো পাৰা নাই মায়াই। কোনো কেনভাচত নিবদ্ধ প্ৰস্তৰ চিত্ৰৰ দৰেই মায়া নিস্তব্ধ।

'Maya- the thrift Queen' - বৰ্তমান ডিজিটেল পৃথিৱীৰ এক অন্যতম জনপ্ৰিয় নাম। লাখ লাখ অনুৰাগীৰে সৈতে নিতৌ Like, Comment, আৰু Share ৰ বিনিময় কৰা মায়া সকলোৰে এখনি চিনাকি মুখ। ডিজিটেলৰ জগতত মায়া এজনী সাধাৰণ যুৱতী নহয়। অত্যাধুনিক AI সমৃদ্ধ লাইটিং আৰু ৰঙীণ কেমেৰাৰ সন্মুখত নিজৰ জীৱনৰ প্ৰতিটো সৰু বৰ মুহূৰ্তক আবদ্ধ কৰি জনমানসলৈ আগবঢ়াই দিয়াই আছিল তাইৰ







দিনটোৰ মুখ্য কৰ্ম। নিজৰ জীৱনক বিলাই দিয়াৰ বিনিময়ত তাই লাভ কৰিছিল ভিন্ন বিজ্ঞাপনৰ সুযোগ। প্ৰসাধনৰ পৰা আৰম্ভ কৰি ভিন্ন ৰন্ধন সামগ্ৰীৰ বিজ্ঞাপনেৰে তাইৰ সেই ভিডিঅ'বোৰ সমৃদ্ধ কৰি তুলিছিল। প্ৰতিদিনেই ন'ন' সামগ্ৰীৰ বিজ্ঞাপনৰ ভিডিঅ' কৰিবলৈ ঘাঁটতে জমা হোৱা হাজাৰ হাজাৰ কাৰ্ডবোৰ্ডত জমা হৈ ৰৈছিল একাৰ ব্যৱহাৰ কৰি পৰিত্যাগ কৰা দামী জোতা, হেণ্ড বেগ, ৰন্ধন সামগ্ৰী আৰু যে কত কি? মায়াই এটাই কথা অনুভৱ কৰিছিল এই গতিশীল অৰ্থনীতিত মায়াৰ জীৱনৰ প্ৰতিটো মুহূৰ্তক তুলি ধৰা টোৱেই সম্পদ আৰু যদি তাই তাত নতুনত্ব দেখুৱাব নোৱাৰে তেন্তে তাইৰ অস্তিত্বও নোহোৱা হৈ যাব।

কিন্তু! হঠাৎ সেইদিনা সকলো সলনি হৈছিল। তেতিয়াৰ পৰাই মায়া যেন ক্ষন্তেকৰ বাবে বাকৰুদ্ধ হৈ পৰিছিল।

সেইদিনা আছিল ৰবিবাৰ। প্ৰতি দিনাৰ দৰে ৰাতি ৮ বাজি ৩০ মিনিটত 'Maya- the swift Queen' ত আৰম্ভ হৈছিল লাইভ ষ্ট্ৰীমিং। মায়াই সেইসময়ত এটা প্ৰসাধনৰ সামগ্ৰীৰ গুৰুত্বতাৰ বিষয়ে কৈ আছিল। হঠাৎ এজন অনুৰাগীৰ এটা প্ৰশ্ন স্ক্ৰীণত জিলিকি উঠিছিল,— "মায়া, তোমাৰ কথা শুনি মই Overtime কাম কৰি এই সকলোবোৰ কিনিলোঁ, এতিয়া মোৰ হাতত টকাও নাই আৰু কোঠাটোও আবৰ্জনাৰে ভৰি পৰিছে। এইবোৰে তোমাক সঁচাকৈয়ে সুখী কৰেনে?"

"মায়া কি ভাবি আছা?"— ঈমানদেৰি অতীতৰ ঘটনাটোত ডুব গৈ থকা মায়াৰ উদয়ৰ মাতত তন্ময়তা ভাগে। উদয়, মায়াৰ সুখ-দুখৰ লগৰী। এই উদয়ক নিজৰ কৰিবৰ বাবে কিমান যে যুক্তি তৰ্কত





লিপ্ত হ'ব লগা হৈছিল। অথচ Like আৰু Comment ৰ পাছত দৌৰি মায়াই যেন পাহৰি গৈছিল উদয়ৰ কোলাত মূৰ থৈ জোনাক গলাৰ নিশা তৰা গণনা কৰা দিনবোৰ। উদয়ো ব্যস্ত হৈছিল নিজৰ জীৱনত আৰু অজানিতে গঢ়ি উঠিছিল এক অভ্ৰভেদী দেৱাল।

মায়াই উদয়ক কৈছিল। বুকুৰ গভীৰতম কোণত থকা সমস্ত পুঞ্জীভূত আৱেগৰ বহিঃপ্ৰকাশেৰে উদয়ক মায়াই কৈ গৈছিল সকলোবোৰ। সকলো পাইও নিজৰ ৰঙীণ পৃথিৱীত মগ্ন হৈ সৰ্বস্বতাক হেৰুৱাই দিগবিদিক হৈ থকা মায়াক সেইদিনা সাৱটি লৈছিল উদয়ে। এজন স্থপতিবিদ হিচাপে উদয়ে নিজেও জানিছিল যে সৌন্দৰ্য বাহ্যিক আৱৰণত নহয়, বৰঞ্চ তাৰ অন্তৰালত নিহিত ধাৰণা আৰু স্থিৰতাতহে থাকে। যাৰ বাবে তাৰ বুকুত কুৰুকি কুৰুকি সোমাই পৰা মায়াৰ সমীপত উদয়ে তুলি দিছিল এটি ধূসৰ ৰিক্ত কাৰ্ডবোৰ্ডৰ বাকচ।

মায়াই নিজৰ অশ্ৰুসিক্ত নয়নেৰে উদয়ৰ ফালে চাই সুধিলে - "কি এইটো উদয়? ইয়াতচোন একোৱেই নাই?"

উদয়ে মায়াৰ চকুলৈ চাই মৰমেৰে ক'লে – "মায়া, এই ৰিক্ততাই হৈছে তোমাৰ শক্তি। তুমি ইমান দিনে কেৱল এই বাকচটো ভৰাবলৈ চেষ্টা কৰিলা - প্লাষ্টিকেৰে, কাগজেৰে অথবা কৃত্ৰিমতাৰে। কিন্তু এই খালী বাকচৰ ভিতৰ বেছি নহয়, ইয়াত আছে সৃষ্টিৰ এক বিশাল আকাশ। এই যে ডিজিটেল পৃথিৱীখন ঠিক এক ফোপোলা বাহঁৰ দৰেহে। ইয়াক সামগ্ৰী হিচাপে গণ্য নকৰিবা। ই হ'ল এটা বিচাৰ। মানুহক তুমি বন্ধু কিনিবলৈ নহয়, বৰঞ্চ জীয়াই থাকি নিজৰ লগতে আনক ভাল পাবলৈ শিকোৱা। ৰিক্ততাৰ পৰাই আৰম্ভ হ'বলৈ দিয়া



তোমাৰ প্ৰকৃত সৃজনীশীলতা ।

উদয়ৰ কথাই মায়াক দিছিল জীৱনটো ন'কৈ চাবলৈ এক অন্যতম সুযোগ । ভাৰ্চুৱেল পৃথিৱীৰ চকমকতাৰ অন্তঃত তাই উপলব্ধি কৰিছিল যে তাই কেৱল বিক্ৰেতা নহয়, তাই এজনী শিল্পীও । এক ব্যতিক্ৰমী পদক্ষেপেৰে আগু হৈছিল মায়া । সেইদিনা তাই ইউটিউবৰ চেনেলত প্ৰচাৰ কৰিছিল এটি বিশেষ ভিডিঅ', য'ত পূৰ্বৰ দৰে কোনো বিজ্ঞাপন নাছিল; তাৰ পৰিৱৰ্তে আছিল উদয়ে দিয়া সেই 'বিক্ত ঝকচ'ৰ কাহিনী । তাই কৈছিল কেনেকৈ কম সামগ্ৰীৰেও গঢ়িব পাৰি এটা সৰল - অথচ সুখী জীৱন ।

মায়াৰ এই নতুন পদক্ষেপে কঢ়িয়াই আনিছিল এক নৱতম ধাৰা । তাইৰ অনুৰাগীসকলে বুজি উঠিছিল যে অনাৱশ্যকভাৱে কেৱল বস্তু ক্ৰয় কৰিয়েই বা কোনো ধাৰাত উটি ভাঁহি যোৱাতকৈ, থকাখিনিক আদৰি লৈ তাৰ মাজত থাকি আপোন মানুহৰ লগত সুখী হোৱাটোৱেই প্ৰকৃত সুখ, প্ৰকৃত প্ৰাপ্তি ।

আজি শুক্ৰেশ্বৰৰ পাৰত বহি উদয়ৰ কান্ধত মূৰ থৈ অস্তাচলৰ বিদায় ল'ব খোজা দিনমণিক এক প্ৰশান্তিৰে সৈতে উপভোগ কৰিছে মায়াই । ব্ৰহ্মপুত্ৰৰ শীতল জলৰাশিৰ ঢৌ বতাহে জুৰ পেলাই গৈছে দুয়োটি প্ৰেমিক পক্ষীক, যেন হাজাৰ মাইল অতিক্ৰম কৰি অহা পৰিশ্ৰমী পক্ষী দুটাই বিচাৰি পাইছে নিজৰ চিকনা --- আপোনজনৰ চিকনা !!

~ শিৰাংগী দত্ত

Just To Fit In



~Banashmita Das

The night felt heavier than usual. The small study lamp cast a pale yellow circle of light, while the rest of the room remained wrapped in silence. The night felt heavier than usual. Only the slow ticking of the clock. Piles of economics notes lay scattered around Ananya like unfinished battles. Her eyes stopped at one underlined term – "demonstration effect" She whispered the words softly, yet they felt distant and unclear.

Just then, her phone vibrated.

"New Phone Launch! Flash Sale! Limited Time Offer!" The screen glowed brightly in the dim room. She locked it and tried to focus.

The next day at college, excitement filled the air. Meera had bought the latest phone.

"Wow, the camera is so clear!"

"Look the display!"

Meera smiled proudly as everyone admired it.

Ananya quietly glanced at her own phone. A thin crack ran across one corner of the screen. It still works, she told herself. I don't need a new one.



That evening at home, reality felt different. Her mother sat near the window, counting money carefully. "Rent is due.... and your tuition fees next week" she said in a tired voice.

Later that night, curiosity defeated resolve. Ananya opened the shopping app "just to see". Shiny pictures. Five star reviews. "Hurry! Offer ends soon."

She whispered, Everyone has up, Everyone has upgraded. If I don't, I'll look outdated. At 9:55 pm... Ananya stared at her old phone. The thin crack on the screen suddenly felt bigger than before. It wasn't just a crack – it felt like a mark of being left out.

She remembered how her friends surrounded Meera, how admiration filled their voices. She had smiled, but inside she had felt invisible. It's not about the phone, She told herself. But it was about belonging. About not feeling small.

The banner flashed – "Only a few minutes left!" Her heart beat faster. She though of her mother counting money... her fingers paused. Then another thought came – I never ask for anything. I deserve this too.

The countdown reached zero.

With a mix of excitement and insecurity, she pressed "Place Order".

For a moment, she felt equal. But deep inside



something far more important had already been sacrificed. By 10 P.M... the order was placed.

For a moment, her heart leaped with excitement. She imagined holding the new phone taking clear pictures, standing confidently among her friends. A small smile appeared on her face. She felt modern. Equal. Included.

But almost immediately, another image quietly entered in her mind – her mother sitting near the window, carefully counting worn out notes under the dim light. The smile on Ananya's face slowly faded.

Later that night, she had felt her mother's soft voice on the phone. "Yes ... I will pay the fees a little late. We had some extra expenses".

Ananya stood still. The happiness she had felt only hours ago suddenly felt fragile. The excitement turned into a heavy silence inside her chest. The order confirmation message still glowed on her screen, but now it no longer felt like victory – it felt like a burden.


In that moment, she realized that sometimes our desires are paid for by someone else's quiet sacrifices. Ananya froze. The new phone suddenly felt heavy in her hands. It's bright screen reflected on the unpaid fee receipt



lying silently on the table. She opened her textbook again. The same difficult lesson waited for her — Demonstration Effect.

Now she understood. It is not always need that drives consm. Sometimes, it is the quiet pressure to look equal to belong, to not feel left behind. And in that silent realization, the true cost of her purchase was no longer measured in money — but in sacrifice.

True wealth is not in upgrading our possessions, but in understanding our priorities. When we let social pressure decide our priorities. When we let social pressure decide our needs, we may gain approval for a moment but lose something far more valuable — peace, responsibility and gratitude





কাব্য-সুৰভি

ঐকল্যৰ চাকনৈয়া




কʼবলৈ থৈʼৰ কথা
লিখিবলৈ লৈও স্তব্ধতা ।
অব্যক্ত কথাবোৰে বাট ভেটে
অস্পষ্ট নিঃশব্দতা, নিঃসংগতা ।
কলমৰ মহীৰো শুষ্ক টোপাল,
ৰঙীণ ডিজিটেল পৃথিৱীৰ
বৈপৰীত্য,
ধূসৰ, মলঙা চৌপাশ ।

আহানিৰ পাৰৰ পাখিত গাঁঠি
পঠিওৱা চিঠিখনৰ উত্তৰৰ
অপেক্ষাত আজিও ....
অন্তৰাল অসীম অথচ,
সুদূৰ অনামী বোধ মনত ।

অসময়ৰ মোবোকনিৰ পথ ৰূপান্তৰ
চৌপাশে বহুজনৰ আবেষ্টনী ;
তথাপিও নিশ্চুপ চুক-কোণৰ চতুষ্পাৰ্শ্ব
সৃজিত অনুভৱ, অপ্ৰত্যাশিত হেঁপাহ ।

~ দিতিমণি শইকীয়া



স্বপ্নিল পথিকৰ কবিতা



অসীম নীলিমাৰ নীলা আবিৰ ঢালি
স্বপ্নপথেৰে নামি অহা
স্বপ্নিল পথিক.....
নিদ্ৰাহীন ৰজনীৰ বুকুত,
অস্ফুট স্বৰত উচুপি উঠা
পখিটি আলফুলে সাবটি লয়,
মৰমৰ ফুলেৰে গাঁথে পখিটিৰ হৃদয়ত
স্বপ্নৰ মালাধাৰি,
আৰু উৰুৱাই লৈ যায়
কংক্ৰীটৰ পৃথিৱীৰ পৰা
দূৰ দিগন্তলৈ।
অনুভৱৰ সীমনাত গীতৰ ৰাগিনী তুলি
অজানিতে আচ্ছন্ন কৰা,
স্বপ্নিল পথিক....
বাস্তৱতাৰ নিৰ্মম হাতৰ মুঠিত

কঠিন হৈ ৰোৱা ফুলপাহি মৰমেৰে সামৰি লয়
আকাশ লৈ যাওঁ নীলিমাৰ শুভ্ৰতা ভেদি
যান্ত্ৰিক পৃথিৱীৰ পৰা বহু দূৰৰ
স্বপ্নৰ আলোকলৈ।
য'ত হৃদয়হীনতাৰ চুমুখীয়া ছবি নাই,
সপোনৰ মৃত্যু নাই,
আবেগৰ নিলামী নাই
সম্পৰ্কত লালসা নাই
আছে মাথোঁ,
মৌনতাৰ চিয়াঁহীয়ে লিখা
নীৰৱ কবিতা,
স্মৃতিৰ মদভৰা পৃষ্ঠাক
ৰঙা আবিৰে আবৰা
কৃষ্ণচূড়াৰ কবিতা,
স্বপ্নপথৰ স্বপ্নিল পথিকৰ কবিতা,
মৰমৰ কবিতা।

~ প্ৰস্তুতি নেওগ



Gen-Z ৰ উচুপনি



নিশাৰ্তো এতিয়া নিৰ্জন নহয়
ই এতিয়া নীল-পোহৰৰ এক মায়াবী কাৰাগাৰ।
আমাৰ দুচকু এতিয়া নিদ্ৰাহীন,
আছে মাত্ৰ কাৰোবাৰ ছ'বীত জিলিকি উঠা —
একোটা অন্তেকীয়া সুখৰ অট্টহাস্য।
আমি জেন-জি, যিয়ে উশাহ লওঁ ডিজিটেল পৃথিৱীৰ বুকুত,
য'ত আমাৰ অস্তিত্বৰ প্ৰমাণ থাকে একোটা লাইকৰ টুকুৰাত।

এই শংকা কিহৰ?
কোনোবাই ক'ৰবাত উৎসৱ পাতিছে,
কোনোবাই পাহাৰৰ কুঁৱলীৰ মাজত হেৰাই গৈছে,
আৰু মই?
মই মাথোঁ এক মৌন দৰ্শক, নিজৰ বিচনাৰ চুকত বহি -
আনৰ আনন্দৰ হিচাপ কৰি নিজকে নিঃস্ব বুলি ভবাৰ।
এই 'ফোমো' কোনো বিদেশী সুৰা নহয়
অথচ আমি আসক্ত
য'ত আনৰ জীৱনৰ কোলাহলে কঁপাই তোলে আমাৰ মৌনতাক।
এতিয়া আমি সূৰ্যাস্ত উপভোগৰ পৰাও বিৰত
কাৰণ আমাৰ বাবে যে অস্তাচলৰ দিগন্তটোকৈ —
কেমেৰাৰ লেন্সত বন্দী হোৱা 'ফিল্টাৰ্ড' ছবিখনহে



বেছি আৱশ্যক ।
প্ৰতিটো দিনেই যেন আমাৰ একোটা প্ৰদৰ্শনী ,
যত আমি কৰোঁ সুখী হোৱাৰ নাটক,
অথচ ভিতৰি আমি একোটা বিৱৰ্ণ অকলশৰীয়া বিন্দু ।

পাহৰিছো নেকি ?
যে শব্দৰ বাহিৰতো থাকে এখন শব্দহীন পৃথিৱী ?
বৰ্তমানৰ সেই পবিত্ৰ নিমাত ক্ষণটোক মবাইলে আৱৰিলে
আজি আমাৰ হাতত মাথোঁ আছে এটা লাইকৰ নিস্তেজ অৱশেষ।
আমি যেন এক যাযাবৰী প্ৰজন্ম —
যিয়ে হেজাৰজনৰ আলোকসজ্জাত বিচাৰে নিজৰ অস্তিত্ব ,
তেন্তে , আমি জানো জীয়াই আছোঁ ?
নে কেৱল এখন ৰঙীণ পৰ্দাৰ সিপাৰে —
অস্তগামী সূৰ্যটোৰ একোটা নিষ্প্ৰাণ প্ৰতিবিম্ব হৈ ৰৈছোঁ ?

~ কৃষ্ণজ্যোতি বনিয়া





Untill I Stand Beside You

The miles between us feel quiet and endless,
Like a place where my words can't reach you.
There's so much love I wish I could say,
But distance keeps it softly unspoken.

Still, I find you everywhere —
In open skies and birds in flight,
In the calm light of early mornings
And the whisper of moving trees.

I raise my camera to hold passing moments,
Freezing beauty before it fades away,
Because every frame I capture
Carries memory of you.





So I keep photographing the world.
As if I'm searching for your presence,
Untill the day distance disappears
And I finally stand by your side.

~ Raj Newtom Somowal





ব্যংগ-ৰচনা



Living on Installments : A Guide to The EMI Economy




There was once a charming, old fashioned habit called saving. People would wait, accumulate money with patience and only then buy what could afford. It was a slow system, deeply inconvenient, and thankfully we have progressed beyond it.

Today, we practice a far more efficient model: we acquire objects immediately and develop character while paying for them over the next five years.

Welcome to EMI Economy — where desire is urgent, ownership is theoretical, and the future has been thoughtfully pre-booked. An EMI, or Equated Monthly Installment, is often described as a financial tool. But that is like calling a treadmill a piece of furniture. In reality, it is a lifestyle arrangements. When you buy something on EMI, you don't merely take home a product — you adopt a quiet, recurring obligation that will visit you every month, punctual and unsentimental, like a relative who knows exactly when your salary is credited.

The brilliance of EMIs lies not in finance, but in psychology. A price of ₹1,00,000 appears large, alarming



large, alarming, almost philosophical. It invites questions about necessity, restraint and the meaning of life. But convert that into ₹3999 per month and suddenly it feels like a minor administrative detail— something you might spend without noticing, like extra cheese. Thus modern purchasing decisions are no longer guided by affordability, but by arithmetic gymnastics. We no longer ask, Can I buy this? Instead, we gently inquire, into how many pieces can this be divided?

Retailers understand this transformation deeply. They do not sell televisions, refrigerators or smartphones. They sell fractions – thin slices of cost, carefully seasoned to look harmless. A product is no longer expensive, it is simply longer.

Then comes the masterpiece of modern vocabulary: No cost EMI. A phrase so comforting it deserves to be framed. It suggests a universe governed by generosity, where banks operate as charitable institutions and mathematics has taken voluntary retirement. Of course, the cost exists. It is merely well mannered enough not to introduce itself immediately.

Meanwhile, salaries have adapted to this ecosystem. They arrive each month like guests at a surprise party, only to discover that the celebration is actually a distr ceremony. Within minutes, they disperse – some to housing, some to gadgets, some to purchase made during moments



of optimism. By the second week, the salary is mostly a memory, discussed nostalgically until the next one appears and repeats the ritual.

Festive seasons amplify this choreography. Advertisements urge us not to delay happiness. "Why wait"? they ask, as though patience were an outdated superstition. And so we do not wait. We bring home our aspirations wrapped in discounts and accompanied by repayment schedules longer than some academic degrees. The irony is suitable but persistent. EMIs allow us to live surrounded by things that suggest prosperity, while quietly ensuring we remain extremely busy maintaining it. We feel wealthier because we possess more, yet free time belongs to earlier generations who owned less and owned nothing.


In this system, we are not exactly buying products. We are borrowing fragments of tomorrow and installing them in our living rooms. And so we continue — our homes fully equipped, our wallets perpetually in transit, our futures carefully itemised into monthly deductions, comfortably inhabitating a world where everything is owned eventually, and paid for endlessly.

~Pummy Tripathi





গ্রন্থ সমালোচনা



অন্তৰীপ




~ আমণী দত্ত

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দেৱৰ এখন সাৰ্থক উপন্যাস হ'ল 'অন্তৰীপ'। ১৯৮৬ চনত জ্যোতি প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত এই উপন্যাসখনৰ কাহিনী মোট চৌবিছটা অধ্যায়ত ৰচনা কৰা হৈছে। বিংশ শতিকাৰ ত্ৰিছ দশকৰ গ্ৰাম্য সমাজৰ এবং হৈবকী পুৰুষতান্ত্ৰিক পৰিয়ালৰ পটভূমিত ৰচনা কৰা এই উপন্যাসৰ কাহিনীৰ এক সবল নৈতিক গতি লক্ষ্য কৰা যায়। সেইহেতু সবল তথা সাৰলীল ভাষাৰ প্ৰয়োগেৰে ঔপন্যাসিকে সেই সময়ৰ সমাজ ব্যৱস্থাৰ অতি স্বাভাৱিকভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে।

উপন্যাসৰ আৰম্ভণিতেই লেখকে এখন জীৱন্ত পৰিৱেশৰ চিত্ৰ দাঙি ধৰিছে —

“ঘৰবোৰৰ মুখৰ ওপৰত সোণাৰু, বেল আৰু আমোল গছজোপাৰ আজোলি তুলাই থকা আকাশখনৰ






ওৰাবোৰ মানিব নোৱাৰা হৈ আছিলো।

এই বৰ্ণনাই গাঁও অঞ্চলৰ এখন নিৰাকী পৰিৱেশ কথা মনত পেলায়। যেন সুৰভি নিশা জোওনা চাই বা বিহুৰ অনুষ্ঠানৰ অন্তত ঘৰলৈ উভতা সময়ত সেই শান্ত পৰিৱেশ। এনে পৰিৱেশৰ মাজেৰেই উপন্যাসখনৰ মুখ্য চৰিত্ৰ মেনকাৰ সৈতে পাঠকৰ পৰিচয় ঘটে।

মেনকা উপন্যাসৰ এক উল্লেখযোগ্য চৰিত্ৰ। সাধাৰণ এগৰাকী গৃহিণী হিচাপে আৰম্ভ কৰা এই চৰিত্ৰই ক্ৰমে নিজৰ অস্তিত্ব আৰু অধিকাৰ ৰক্ষাৰ বাবে দৃঢ়তা আৰু জেদৰ পৰিচয় দিয়ে। চৌখিন, অহংকাৰী তথা দাম্ভিক প্ৰকৃতিৰ মহীকান্তৰ পত্নী হিচাপে তেওঁ বহু মানসিক আঘাত সহ্য কৰিব লগা হয়। বিশেষকৈ স্বামীৰ দ্বিতীয় বিবাহৰ সিদ্ধান্তে মেনকাৰ জীৱনত গভীৰ আঘাত হানে। সেই অৱস্থাত এগৰাকী পত্নীৰ মানসিকতা স্থিতি কেনে পৰ্যায়লৈ যাব পাৰে সেইয়া ঔপন্যাসিকে মেনকাৰ চৰিত্ৰৰ মাজেৰে গভীৰভাৱে প্ৰকাশ কৰিছে।

মেনকাৰ মনৰ যন্ত্ৰণা প্ৰকাশ কৰি লেখকে লিখিছে —


" নিজকে উদভাই দিয়াৰ কাৰণেই মেনকা একেবাৰে উদং হৈ গ'ল নেকি?



এই বাক্যসমূহে স্নেহবাৎসল্য নাৰীৰ অন্তৰজগতৰ বেদনা আৰু অপমান বোধ সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। স্বামীৰ আচৰণে আঘাতপ্ৰাপ্ত হোৱাৰ পাছতো মেনকাৰ ভিতৰত থকা আত্মসন্মান আৰু প্ৰতিবাদী মনোভাৱে চৰিত্ৰটোক বিশেষ তাৎপৰ্য প্ৰদান কৰিছে।

উপন্যাসৰ আন এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ হৈছে কিৰণ নাৰী হিচাপে কিৰণৰ জীৱনৰ অত্যন্ত কৰুণ। পিতৃ-মাতৃৰ সিদ্ধান্তত তেওঁ এজন অহংকাৰী পুৰুষৰ দ্বিতীয় পত্নী হিচাপে বিবাহ কৰিব লগা হয়। স্বামী গৃহত তেওঁ বিভিন্ন মানসিক যন্ত্ৰণা আৰু অৱহেলাৰ সন্মুখীন হয়। এই চৰিত্ৰটোৰ মাজেৰে সমাজত নাৰীৰ অসহায় অৱস্থা আৰু জীৱনৰ কঠোৰ বাস্তৱতা স্পষ্টভাৱে প্ৰতিফলিত হৈছে।


উপন্যাসখনত ইন্দ্ৰ চৰিত্ৰটোৰো বিশেষ গুৰুত্ব আছে। শশিকান্ত আৰু মেনকাৰ প্ৰথম সন্তান ইন্দ্ৰৰ শৈশৱৰ পৰা যৌৱনলৈকে হোৱা মানসিক পৰিৱৰ্তন ঔপন্যাসিকে অত্যন্ত সূক্ষ্মভাৱে বৰ্ণনা কৰিছে। পিতৃ-মাতৃৰ সংঘাত আৰু পাৰিবাৰিক অশান্তিয়ে সন্তানৰ মনত কেনেধৰণৰ গভীৰ প্ৰভাৱ পেলাব পাৰে সেয়া এই চৰিত্ৰৰ মাজেৰে প্ৰকাশ পায়।



ইয়াৰ উপৰিও ধনকান্ত বুঢ়া আৰু সোণেশ্বৰী বুঢ়ীৰ দৰে চৰিত্ৰসমূহেও উপন্যাসখনত বিশেষ তাৎপৰ্য বহন কৰে। পুত্ৰৰ কু-কৰ্মই পিতৃ-মাতৃৰ মনত কেনেধৰণৰ যন্ত্ৰণা সৃষ্টি কৰে সেয়া এই চৰিত্ৰসমূহৰ মাজেৰে স্পষ্টভাৱে প্ৰকাশ পাইছে। বৃদ্ধ বয়সতো পতি পত্নীৰ মাজত থকা মৰম আৰু সহানুভূতিৰ অনুভূতিও মৰমলগা ৰূপত উপস্থাপন কৰা হয়।

উপন্যাসখনৰ অন্যতম চৰিত্ৰ বৈশিষ্ট্য হৈছে ইয়াত বৰ্ণনা কৰা গ্ৰাম্য পৰিৱেশ। গাঁওৰ সহজ-সৰল জীৱন; মানুহৰ উদাৰতা, সততা আৰু পৰোপকাৰী মনোভাৱ এই উপন্যাসখনত জীৱন্ত ৰূপত ফুটাই তোলা হৈছে। গধূলিৰ পাচত চুবুৰীৰ নিস্তব্ধতা, খেৰী ঘৰবোৰত জ্বলোৱা চাকি আৰু মানুহৰ দৈনন্দিন জীৱনৰ বৰ্ণনাই সেই সময়ৰ গাঁওৰ ছবি পাঠকৰ চকুৰ আগত স্পষ্ট কৰি তোলে।

সামগ্ৰিকভাৱে কʼব পাৰি যে 'অন্তৰীপ' উপন্যাসখন কেৱল এটি পাৰিবাৰিক কাহিনী নহয়, ই পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ মানসিক জগত; আত্মসন্মান আৰু সামাজিক ব্যৱস্থাৰ এক গভীৰ প্ৰতিফলন। উপন্যাসখনৰ কাহিনী আৰু চৰিত্ৰই পাঠকৰ মনত গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।।





চলচ্চিত্র
সমালোচনা
7

CTRL

~ Sahim Sultana

Film : "CTRL"
Genre : Thriller , Cyber / screenlife
Director : Vikramaditya Motwane
Starring : Ananya Panday and Vihaan Samat
Release date : October 4, 2024
Writers : Vikramaditya Motwane , Avinash Sampath and Sumukhi Suresh

Produced by Nikhil Dwivedi and Arya Menon under the banners of Saffron Magicworks and Andolan films.





The film CTRL strongly resonates with the realities of the present digital age, where technology no longer remains a passive tool but actively shapes human emotions, choices, and moral boundaries. What makes the film particularly impactful is how it presents these issues through the psychological experiences of its main characters rather than through overt technical explanations.

The protagonist, Nella, begins the film as a confident and emotionally invested individual who seeks control over her life and relationships. However, as events unfold, her reliance on digital systems to regain power gradually exposes her vulnerability. Throughout the movie, Nella oscillates between anger, desperation and a false sense of empowerment. Her emotional journey reflects how easily personal pain can be exploited by technology that promises solutions but instead deepens isolation and confusion.

Joe, on the other hand, represents the darker consequences of curated online identities. His character evokes discomfort and



moral ambiguity, making it difficult to separate genuine emotion from manipulation. As the narrative pro-gresses, Joe's presence becomes less human and more symbolic, highlighting how technology can distort truth and accountability. The emotional detachment seen in his character contrasts sharply with Nella's psychological turmoil. What struck me most was how both characters appear increasingly powerless despite their access to advanced digital control. The film subtly conveys feelings of anxiety, paranoia, and emotional exhaustion, mirroring the mental state of individuals constantly exposed to surveillance, judgement and algorithm-driven narratives. The character's inner struggles feel authentic, making the story disturbingly relatable. CTRL ultimately teaches that seeking control through technology often results in the loss of emo-tional and ethical clarity. It urges viewers to reflect on their own dependence on digital platforms and reminds us that true control lies in awareness, restraint, and human connection.




The film stays with the viewer long after it ends, provoking introspection rather than offering easy answers.





লিমাৰিক



Your privacy is gone with a click,
A "Terms and Conditions" so thick.
No one reads to the end,
To see what they spend,
In a legal and corporate trick.

~ Sampriti Priyam Dutta



"I'm literally screaming", she wrote,
At a "must-Have" and "Trending" new coat.
The digi world grins,
As the transaction wins,
Keeping the "stock-price" afloat.

– Sampriti Priyam Dutta



When harvests were shrinking each year,
And famine were appearing everywhere
New seeds took the field,
with high-yeilding yield,
And grains filled the granaries here.

~ Jyotishma Mazumdar



When prices goes up at the stand
Fewer will buy what is planned
But lower the price
And sales will rise
More shoppers will happily land.


~ Jyotishma Mazumdar



Economics looks far and looks near,
At households and firms through the year.
From prices that rise
To growth charts that climb,
It explains why our choice appear

– Jyotishma Mazumdar





The once was a thinker in 1930's named John
Maynard Keynes
Who studied why growth had been drained,
He said, "Spend some more",
To strengthen the core,
And jobs and demand were regained.

~ Jyotishma Majumdare





সম্পাদকলৈ চিঠি

নীলা খামৰ চিঠি

প্ৰতি,

সম্পাদক মহোদয়,

আপোনাৰ সুপৰিচিত আৰু বৌদ্ধিক চিন্তাৰ বাহক স্বৰূপ আলোচনীখনৰ জৰিয়তে বৰ্তমান সময়ৰ এক অত্যন্ত স্পৰ্শকাতৰ তথা গভীৰ বিষয় - "ভোগবাদ : সামাজিক মাধ্যম আৰু আধুনিক অৰ্থনীতি"-ৰ ওপৰত আলোকপাত কৰি মোৰ মত প্ৰকাশ কৰিছোঁ।

একবিংশ শতিকাৰ তৃতীয় দশকত মানৱ সভ্যতা এক অভূতপূৰ্ব পৰিৱৰ্তনৰ মাজেৰে গতি কৰিছে। এই যুগটো তথ্য-প্ৰযুক্তিৰ যুগ যদিও ইয়াৰ আঁৰত থকা অৰ্থনৈতিক মেৰপেচবোৰ অতি ভয়ংকৰ। সামাজিক মাধ্যম এতিয়া কেৱল আপোনজনসকলৰ মাজত যোগাযোগ-ৰ থলী হৈ থকা নাই; ই এক বিশাল গোলকীয় বজাৰ তথা 'ডিজিটেল উপনিৱেশ' লৈ ৰূপান্তৰিত হৈছে। আমি যিটো মাধ্যমক 'বিনামূলীয়া' বুলি ভাবি ব্যৱহাৰ কৰিছোঁ, সেইয়াই হৈছে আটাইতকৈ দামী পণ্য।

আধুনিক অৰ্থনীতিৰ আটাইতকৈ শক্তিশালী অস্ত্ৰটো হৈছে, 'এলগৰিদম' (Algorithm)। আমাৰ পছন্দ-অপছন্দ, আমাৰ 'চাৰ্চ-হিষ্ট্ৰী', আনকি আমাৰ ব্যক্তিগত বাৰ্তালাপৰ ওপৰত ভিত্তি কৰি এই সঁজুলিয়ে আমাৰ সন্মুখত এনে কিছু সামগ্ৰীৰ বিজ্ঞাপন উপস্থাপন কৰে, যিটোৰ হয়তো আমাৰ বাবে কোনো প্ৰয়োজনেই নাই। ই আমাৰ মগজুত এক কৃত্ৰিম অভাৱবোধৰ সৃষ্টি কৰে। ইয়াক মনস্তাত্ত্বিক ভাষাত 'চাৰ্ফিং কলচাৰ' বা 'ইম্পালচিভ বায়িং' বুলি ক'ব পাৰি। ইনষ্টাগ্ৰাম, ফেচবুকৰ দৰে প্লেটফৰ্মত জিলিকি থকা ইনফ্লুৱেঞ্চাৰসকলৰ চমকপ্ৰদ জীৱনশৈলী দেখি সাধাৰণ মধ্যবিত্ত বা যুৱচামে এক হীনমন্যতাত ভোগে আৰু সেই জীৱনশৈলীক অনুকৰণ কৰিবলৈ গৈ অপ্ৰয়োজনীয় ভোগবাদৰ বলি হয়।

সেয়েহে, সময় থাকোঁতেই আমি এই ডিজিটেল সাম্ৰাজ্যবাদৰ বিৰুদ্ধে বৌদ্ধিকভাৱে সজাগ হোৱাটো প্ৰয়োজনীয়। আমাৰ ক্ৰয়-ক্ষমতা আৰু প্ৰয়োজনৰ মাজত এক সীমা-ৰেখা থকা উচিত। আপোনাৰ আলোচনীৰ জৰিয়তে সমাজৰ সচেতন-মহলক এই বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ আহ্বান জনালোঁ।

ইতি,

প্ৰকৃতি নেওগ।

প্ৰিয়তম,

'এটা আঙুলি পালে মই
চুঁই যাব পাৰোঁ
যেনি মন যায়
তোমাৰ সান্নিধ্যৰ যাদুকৰী ৰাতি
চুঁই যাম মই যি কোনো
আঙুলিত পালে।'
— হীৰু দা

কৰ পৰা আৰম্ভ কৰোঁ..... উশাহবিহীনতাৰ পৰা নে যিসকলৰ পদ্মীৰ গতিৰে উৰিব খোজা আলমুলীয়া হেপাঁহটোৰ পৰা? নাহৰৰ দেশৰ কমলাৰতি বলিটোৱে মোৰ বুকুত নতুন হেপাঁহটো কোনোখানে গুজি দিলে, মই গমকে নেপালোঁ। ভালপোৱাৰ স্পৰ্শভাৱে আটি ওটি কৰিব খোজা সেই সপোনটোৰ অন্য নাম তুমি। নিশ্চিতভাৱেই তুমি মোৰ বুকুৰ ধুমুহাজাকৰ বিষয়ে তুমি অজ্ঞাত।

তুমি হয়তো নেজানা মোৰ স্বৰজসূমী ফুলা আঁখিটোত নিতৌ নৈ উঠে মোৰ শৰীৰৰ সমস্ত ৰক্তকণা। শিমলুবৰণী তেজৰ চেঁকুৰাবোৰে অনন্ত বতাহ সদম্বৰ। এইনিতৌৰ ৰাগীয়ে মাতাল কৰা মোৰ এই কলিজাত তোমাৰ বাহিৰে আনৰ প্ৰৱেশ নিষিদ্ধ। মবিগ্ৰাজাইৰ গোন্ধ বিয়পাই মোৰা বতাহজাকে কাণত গায় যায় —

কাৰ আগমন, নিঃশব্দ গোপন

সপোনত খুন্দুকি মাৰি
যোৱা মোক
তুমি কোন, তুমি কোন।

(কথা- পংকজ শইকীয়া)

অৰ্থনীতিৰ তত্ত্বৰ পৰা পৰিসংখ্যাৰ সূত্ৰলৈকে নিজক আৱদ্ধ ৰাখিব খোজো মই নামৰ সত্তাটোক তোমাক দেখাৰ দিনাই হেৰুৱালো। জীৱনৰ সৰল ৰৈখিক সমীকৰণক আসুঁতি আপেক্ষিকতাৰ সূত্ৰত প্ৰতিবাৰেই পথভ্ৰষ্ট হৈছো মই আৰু তাৰ কাৰণ হ'ল তুমি। অধিকাৰবিহীন বুলি জানিও তোমাক সুধিব খুজিছোঁ — মোক মোৰ হৈ থাকিবলৈ নিদিয়াৰ অভিলাষ তোমাৰ সৃষ্টি হ'ল কিয়?

শেষত তোমাৰ এটি-এটি অনুৰোধ - মোৰ হৃদয় নামৰ সন্দুকটোৰ চাবি-পাট তোমাৰ হাতত দিলো, কামিজৰ জেপত সযতনে ৰাখিবা।

ইতি
তোমাৰ অচিনাকী শুভাকাংক্ষী
(প্ৰিয়ংকা সেনাপতি)

অৱন্তী,

জীৱনৰ আহ-যাহত মুখামুখি হৈছোঁ। আগেই সৰ বিশেষ উল্লেখযোগ্য মুখামুখি হোৱা নাই। কিন্তু, এইবাৰ! বাহ! কি যে ভাবনাৰ আগা-দেৱা। মস্তিষ্কত ঘৰঘৰ কৰাৰ অজুহাতেই অনুভূতি 'ceteris paribus' ৰ অধীন হৈ পৰিছিল। ভাল-লগা, ভালপোৱা-ৰ এই সকলোবোৰ জ্ঞাত নোহোৱা আন্ধাৰ দৰে হৈছিল। কিন্তু এইবাৰ মোৰ কপাল খুলিলে বুইছা। কাৰণ তোমাক যে দেখিলোঁ, লগ পালোঁ। প্ৰথমবাৰ WhatsApp ৰ DP-ত দেখিছিলো। তোমাৰ পৰাই কিবা অচিন শিহৰণে গোটেই দেহত ভুমুকি মাৰিছি-লে। আৰু, তাৰ পাছত, সেইদিনা প্ৰথম আহিয়েই প্ৰত্যক্ষে সন্মুখত দেখাৰ সৌভাগ্য হ'ল। লগেলগেই মোৰ বুকুত বাজি উঠিল "তোমাৰ দেখা পালে সপো-ন জাগি উঠে, বুকুখনি হয় তাজমহল"। পিছে মাতিবলৈ সাহসখিনি গোটাব পৰা নাই। সেইবাবেই এই নীলা সাগৰ ভাঁজত মোৰ হিয়াৰ কথাবোৰ তোমা-ৰ হাতত তুলি দিলোঁ।

তোমাক সেইদিনা না-চিনাকী সময়ত দেখিছিলোঁ। এজনক গান গাব দিছা, সিফালে গৈছা। তাৰ পাছতে নিজেও ঝলপ নাচিছা। তেতিয়া গোটেইজনী চিত-পৰিমলা যেন হৈ ইফালে

নিজৰমালে পৈছা । অৱশ্যমান খেমালিও ধৰিছা ।
বিৰাট খুঁটিৰে 'নীলা আকাশৰ চিঠিৰ কথাও কৈছা ।
মানে সাংঘাটিক খুটিবাজ ন ? বাৰু ভালেই কৰিছা
দিয়া ? অৱশ্যমান চকুলামিত্ত লাগে সে কি ? যদি
তোমাৰ আপত্তি নাই, তেন্তে এই তোমাৰ মতত
হাঁৰি আলপ চকুল হব পাৰো নেকি ? বুজিছা চাগে
ন !

যদি অনুমতি দিয়া ; তেতিয়াহলে 'আমি' বুলি ভাবিব
পাৰো ? এইযে কৈছো, তোমাৰ বাবেই মোৰ বুকুৰ
উৎকণ্ঠাৰ ঢৌ উঠিছে । সেইটো কেৱল তুমিহেই নোহো-
ৱা কৰিব পাৰিবা । সেইকাৰণেই তোমালৈ লিখিলোঁ
"মোৰ মনৰ বাসনা
তুমি জগালা
তোমাৰ চাৱনিত
মোৰ মন বলিয়া
হবানে তুমি
মোৰ সেউজ শাওন
সজাম আমাৰ
সোণোৱালী আমোদ ।"

ইতি
ত্ৰিনয়ন চেতিয়া


Sahir